# অংকীয়া নাটৰ আহাৰ্য

## ড° পোনা মহন্ত

ভৰত মুনিৰ নাট্যশাস্ত্ৰৰ মতে অভিনয় চাৰি প্ৰকাৰৰ— আংগিক, বাচিক, আহাৰ্য আৰু সাত্বিক। 'আহাৰ্য' মানে কৃত্ৰিম, বাহ্যিক, বাহিৰৰ পৰা আহৰণ কৰা বা কৰিবলগীয়া। ভৰত মুনিয়ে এইবিধ অভিনয়ক নেপথ্য বিধি বুলিও অভিহিত কৰিছে। 'নেপথ্য'ৰ আভিধানিক অৰ্থ হ'ল বেশ, পোছাক, অলংকাৰ ইত্যাদি। নাট্যাভিনয়ৰ বাবে সাজ-সজ্জা কৰা, মুখা, পোছাক আদি থোৱা সুকীয়া কোঠা বা মঞ্চৰ পিছফালৰ বিশেষ অংশকো (গ্ৰীনৰুম) নেপথ্য (গৃহ) বোলা হয়। উল্লেখযোগ্য যে আহাৰ্য বা নেপথ্য বিধি সঠিকভাৱে প্ৰয়োগ কৰাৰ ওপৰত অভিনয়ৰ সফলতা-বিফলতা ভালেখিনি নিৰ্ভৰ কৰে।

শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰা অংকীয়া নাট-ভাওনা গীত আৰু নৃত্যপ্ৰধান অনুষ্ঠান। এই নাট্যানুষ্ঠানত থলুৱা লোকনৃত্য আৰু নাট্যধৰ্মী অনুষ্ঠানৰ উপাদান প্ৰচুৰ পৰিমাণে থাকিলেও অসমীয়া নাটকৰ পিতৃপুৰুষগৰাকী যিহেতু সংস্কৃতৰো বিদগ্ধ পণ্ডিত আছিল সেয়ে অংকীয়া নাটত ধ্ৰুপদী সংস্কৃত নাটকৰো প্ৰভাৱ পৰিলক্ষিত হয়। 'নাট্যশাস্ত্ৰ'ত উল্লেখ কৰাধৰণে অংকীয়া নাট-ভাওনাত চাৰিওফালৰ অভিনয়ৰে প্ৰয়োগ আছে। বিশেষকৈ আহাৰ্যৰ প্ৰয়োগৰ ব্যাপকতা মন কৰিবলগীয়া। শংকৰদেৱে যিহেতু নাটকক ভক্তিধৰ্ম প্ৰচাৰৰ জনপ্ৰিয় মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল সেয়ে তেওঁ প্ৰচুৰ আৰু বিচিত্ৰ প্ৰকাৰৰ আহাৰ্য সামগ্ৰী প্ৰয়োগ কৰি আমোদ দানৰ যোগেদি শ্ৰোতা-দৰ্শকৰ মাজত ভক্তিৰসপ্ৰধান বৈষ্ণৱ ধৰ্মৰ অংগৰচনা, সজীৱ-কেউবিধেই অংকীয়া নাট-ভাওনাত প্ৰয়োগ কৰা হৈছে। সৰলীকৃত কৰি ক'বলৈ হ'লে ভাৱৰীয়াৰ সাজ-পোছাক, ৰং, অস্ত্ৰ-শস্ত্ৰ, মুখা, বহা আসন আদি সামগ্ৰীসমূহ ভাওনাৰ আহাৰ্যৰ ভিতৰত পৰে। চৰিত্ৰ আৰু অৱস্থাভেদে ইবিলাকৰ সুপ্ৰয়োগৰ অবিহনে অভিনয় অৰ্থপূৰ্ণ,

প্ৰকাশময় আৰু উপভোগ্য হ'ব নোৱাৰে। উল্লেখযোগ্য যে নিজে ভাওনা কৰি দেখুওৱাৰ বাদে শংকৰদেৱে ভাওনাৰ অভিনয় বা আহাৰ্য সম্পৰ্কে কোনোধৰণৰ লিখিত নিৰ্দেশাৱলী থৈ যোৱা নাই। গুৰুজনাৰ আদৰ্শ, চৰিতপুথিসমূহত পোৱা উল্লেখ বা বৰ্ণনা, তেৰাৰ উত্তৰাধিকাৰীসকলৰ অনুশীলন ইত্যাদিৰ ভিত্তিত আহাৰ্যাভিনয় বা আহাৰ্যৰ প্ৰয়োগ চলি আহিছে। উদাহৰণ হিচাপে ভাৱৰীয়াৰ সাজ-পোছাকৰ কথাকে ল'ব পাৰি। সময় আৰু সত্ৰ বা পৰিৱেশভেদে ইবিলাকৰ ভিতৰত কিছু প্ৰভেদ পৰিলক্ষিত হয় যদিও এইটো স্বীকাৰ কৰিবই লাগিব যে সামগ্ৰিকভাৱে বৈসাদৃশ্যসমূহ সিমান গুৰুত্বপূৰ্ণ নহয়।

ভাৱৰীয়াৰ সাজ-পোছাকৰ ক্ষেত্ৰত যোৱা প্ৰায় পাঁচটা শতিকাৰ ভিতৰত যথেষ্ট পৰিৱৰ্তন হৈছে যদিও প্ৰধান চৰিত্ৰসমূহৰ পোছাকৰ মূল বৈশিষ্ট্য এতিয়াও অটুট আছে। গায়ন-বায়নত অংশগ্ৰহণ কৰোতাসকলে বগা চোলা-চুৰিয়া আৰু শিৰত পাগুৰি পিন্ধে। সূত্ৰধাৰে চাপকন চোলা আৰু ভৰিৰ গোৰোহালৈকে পৰা ঘূৰি পিন্ধে, কঁকালত এখন টঙালিও থাকে যাতে নাচোঁতে অসুবিধা নহয়। সূত্ৰধাৰৰ শিৰস্ত্ৰাণ বেছ বৈশিষ্ট্যপূৰ্ণ। এই চৰিত্ৰই পিন্ধা পাগুৰি দুই প্ৰকাৰৰ— একপ্ৰকাৰ হ'ল থিয়কণীয়া, কিন্তু সন্মুখৰ পিনে সামান্য ওলাই অহা, অন্যটো প্ৰকাৰ হ'ল মোগল টুপীৰ আৰ্হিৰ (মোগল সম্ৰাটসকলে পিন্ধা) পিছৰফালে কিছু আগবাঢ়ি যোৱা। কৃষ্ণৰ শিৰত কেতিয়াবা কিৰীটি থাকে, কেতিয়াবা নাথাকে, কিন্তু ময়ূৰ পাখি লগোৱা কপালি থাকিবই। কৃষ্ণই হালধীয়া ৰঙৰ আৰু বলোৰামে নীলা চুৰিয়া পিন্ধে। দুয়োজনৰ পোছাকতে হালধীয়া, ডাঠ নীলা বা ৰঙা বৰণৰ বুকুৱালি আৰু পিঠিয়ালি থাকে। অন্যান্য পুৰুষ চৰিত্ৰই চৰিত্ৰ অনুযায়ী ধুতী, চাপকন, চোলা, চাদৰ, পাগ, টঙালি আদি ব্যৱহাৰ কৰে। পুৰুষে পাট, মুগা বা কপাহী মেখেলা-চাদৰ, আ-অলংকাৰ পিন্ধি স্ত্ৰীৰ ভূমিকাত অৱতীৰ্ণ হয়। স্বাভাৱিকতে চৰিত্ৰৰ সামাজিক স্থান বা মৰ্যাদা অনুযায়ী সাজ-পোছাকৰো তাৰতম্য হয়। উদাহৰণস্বৰূপে গায়ন-বায়নৰ পাগ, ৰজাৰ পাগ আৰু সাধাৰণ চৰিত্ৰৰ পাগৰ মাজত প্ৰভেদ ৰখা হয়। ঋষি-মুনিসকলে গেৰুৱা বস্ত্ৰ আৰু শুধ বগা দাড়ি-চুলি পিন্ধে আৰু সাধাৰণতে হাতত এটা কমণ্ডলু লৈ ওলায়। থোৰতে এইটো ক'ব পাৰি যে কৃষ্ণ, বলোৰাম বা ঋষি-মুনিসকলক যিদৰে কল্পনা কৰা হয় সেইমতে সাজ-পোছাকৰো ব্যৱস্থা কৰা হয়। অন্যান্য পুৰুষ আৰু স্ত্ৰীৰ চৰিত্ৰৰ ক্ষেত্ৰত দেখা যায় যে সাধাৰণতে অসমীয়া মানুহৰ পৰম্পৰাগত সাজ-পাৰ, আ-অলংকাৰৰ আৰ্হিৰে ভাওনাৰো সাজ-পাৰ প্ৰস্তুত কৰা হয়।

আহাৰ্যৰ আন এক প্ৰধান সামগ্ৰী হ'ল ৰং। পূৰ্বৰ পৰা চলি অহা বিভিন্ন লোকনৃত্য আৰু নাট্যধৰ্মী অনুষ্ঠানত ভাৱৰীয়াই চৰিত্ৰৰ সৈতে ৰজিতা খুৱাই ৰং ব্যৱহাৰ কৰিছিল।

যি চৰিত্ৰই সমস্ত শৰীৰ ঢাক খোৱাকৈ বস্ত্ৰ পৰিধান নকৰে সেই চৰিত্ৰই মুখৰ বৰ্ণৰ লগত মিল দেখুৱাবলৈ দেহৰ অনাবৃত অন্যান্য অংশতো ৰং সানিব লাগে। ৰঙৰ বাবে সাধাৰণতে হেঙুল, হাইতাল, সেন্দুৰ, নীল, ধলমাটি, গেৰুৱা মাটি, ছাই আদি ব্যৱহাৰ কৰা হৈছিল। এই ৰং সামগ্ৰীসমূহৰ বিভিন্ন ধৰণৰ মিশ্ৰণ ঘটাই চৰিত্ৰৰ লগত মিলাকৈ বেলেগ বেলেগ ৰং প্ৰস্তুত কৰা হৈছিল। উদাহৰণস্বৰূপে হাইতালৰ সৈতে নীল মিহলালে যি ৰং হয় সেই ৰং কৃষ্ণ বা ৰামৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিল। নাৰিকলৰ বাকলি পুৰি, বেলৰ আঠা দি যি ক'লা চানেকীয়া ৰং প্ৰস্তুত কৰা হৈছিল সেই ৰং যমৰাজ, অসুৰ আৰু দৈত্য-দানৱৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিল। দাড়ি-চুলি তৈয়াৰ কৰিবৰ বাবে চোঁৱৰী পহুৰ নোম, কপাহ, মৰাপাট আৰু আঠা হিচাপে বেল ব্যৱহাৰ কৰা হৈছিল। ঋষি-মুনি বা তেনেধৰণৰ চৰিত্ৰৰ শৰীৰৰ ওপৰত ছাই, ভস্ম, গেৰুৱা মাটি আদিৰ প্ৰলেপ দি সেই ৰূপে সজোৱা হৈছিল। ইয়াৰ উপৰি ভাৱৰীয়াৰ মুখ আৰু দেহৰ অন্যান্য অংশত ৰং সানি সজাই-পৰাই তোলা হৈছিল। খনিকৰসকলে যথোপযুক্ত দ্ৰব্য আৰু প্ৰণালীৰে প্ৰয়োজনীয় ৰঙৰ যোগাৰ কৰিছিল।

অংকীয়া ভাওনাৰ আহাৰ্য অভিনয়ৰ অন্য এবিধ গুৰুত্বপূৰ্ণ আহিলা হ'ল চৌ-মুখা। পৰ্বত, গছ, আদি নিৰ্জীৱ বস্তু, দৈত্য, দানৱ, সৰ্প, বানৰ আৰু ব্ৰহ্মাৰ দৰে দেব চৰিত্ৰ উপস্থাপন কৰিবৰ বাবে মুখাৰ ব্যৱহাৰ কৰা হয়। সাধাৰণতে মুখাসমূহ বাঁহৰ কাঠীৰে নিৰ্মাণ কৰা হয় আৰু ইয়াৰ ওপৰত গোবৰ মাটিৰ প্ৰলেপ দি মুখাই ৰূপায়ণ কৰা চৰিত্ৰ অনুযায়ী পূৰ্বতে উল্লেখ কৰাধৰণে প্ৰস্তুত ৰং ঘঁহা হয়। মুখা ভিন্ন প্ৰকাৰৰ— সম্পূৰ্ণ শৰীৰ আবৃত কৰা মুখা, শৰীৰৰ অৰ্ধাংশ আবৃত কৰা মুখা আৰু কোনো বিশেষ অংশ আবৃত কৰা মুখা। উদাহৰণস্বৰূপে দহমূৰীয়া ৰাৱণৰ বাবে ইমান প্ৰকাণ্ডকৈ মুখা সজা হয় যে অভিনেতাজনে মুখাটোত সোমাই অৰ্থাৎ মুখাৰ দ্বাৰা সম্পূৰ্ণ আবৃত হৈ অভিনয় কৰে। সেইদৰে চতুৰানন ব্ৰহ্মাৰ বাবে কেৱল চাৰিখন মুখ থকা মুখাৰে মুখমণ্ডল আবৃত কৰা হয়। অংকীয়া নাটত ব্যৱহৃত মুখাৰ ভিতৰত 'কালিয় দমন' নাটৰ কালিনাগ মুখা, নাগপত্নীৰ মুখা, 'ৰাম বিজয়' নাটৰ তাৰকা, মাৰীচ, সুবাহু আদি ৰাক্ষসৰ মুখা, 'কেলি গোপাল' নাটৰ শংখচূড়ৰ, 'নৃসিংহ যাত্ৰা'ৰ নৰসিংহ আৰু বৰাহৰ মুখা, 'ভোজন বিহাৰ' নাটৰ ব্ৰহ্মাৰ মুখাৰ কথা উল্লেখ কৰিব পাৰি। সেইদৰে গোবৰ্ধন পৰ্বত (গোবৰ্ধন যাত্ৰা), ইন্দ্ৰৰ ঐৰাৱত, বানৰ ভালুক চৰিত্ৰ (হনুমান, জাম্বুবান ইত্যাদিৰ বাবেও যথোপযুক্ত মুখা তৈয়াৰ কৰা হয়। প্ৰতিখন সত্ৰতে ইবিলাকৰ প্ৰস্তুত কৰিবৰ বাবে নিৰ্দিষ্ট খনিকৰ থাকে আৰু সত্ৰাধিকাৰ, ডেকা অধিকাৰ আৰু সত্ৰৰ অন্যান্য শিল্পীসকলেও এই কামত সহযোগ আগবঢ়ায়। উল্লেখযোগ্য যে মুখাসমূহ এবাৰ নিৰ্মিত হোৱাৰ পিছত সত্ৰৰ নামঘৰৰ একাষে বা কোনো নিৰ্দিষ্ট স্থানত সাৱধানে

সংৰক্ষণ কৰি ৰখা হয় যাতে পৰৱৰ্তী পৰিৱেশনসমূহত সেইবিলাক আৱশ্যক মতে তেল দি ব্যৱহাৰ কৰিব পাৰি।

নক'লেও হয় যে আহাৰ্য সকলো অভিনয়ৰে এক অপৰিহাৰ্য অংগ। অংকীয়া নাট-ভাওনাত ইয়াৰ প্ৰচুৰ প্ৰচলনৰ প্ৰধান কাৰণ হ'ল নাটসমূহ পৌৰাণিক আখ্যানসমূহক ল'ত মুখ্য চৰিত্ৰ হিচাপে ৰাম বা কৃষ্ণৰ লগত অনেক দেৱ-দেৱী, দৈত্য-দানৱ আদি চৰিত্ৰ আছে। তদুপৰি জনপ্ৰিয় অনুষ্ঠান হিচাপে ভাওনাত ব্যাপক আহাৰ্যৰ প্ৰয়োগ সৰ্বসাধাৰণ শ্ৰোতা-দৰ্শকক আমোদ দানৰ মাজেদি মহাপুৰুষৰ ভক্তি-ধৰ্মৰ বাণী প্ৰচাৰত বেছ সহায়ক হৈছিল। সামৰণিত কৈ থোৱা যুগুত হ'ব যে সেই সৰু নিবন্ধত প্ৰধানকৈ অংকীয়া নাট-ভাওনা, অৰ্থাৎ মহাপুৰুষ দুজনাৰ নাট-ভাওনাত ব্যৱহৃত আহাৰ্যৰ বিষয়েহে থোৰতে আলোচনা কৰা হৈছে। পৰৱৰ্তী কালত ভাওনাৰ জনপ্ৰিয়তা বাঢ়িলেও শংকৰ-মাধৱৰ মূল নাটৰ পৰিৱেশন সীমিত হৈ আহিবলৈ ধৰে আৰু ক্ৰমে ইয়াৰ ঠাই লয় একপ্ৰকাৰ গদ্য-নাট বা মাতৃভাষাৰ নাটে। অৱশ্যে মহাপুৰুষৰ অংকীয়া নাটৰ মূল গুণসমূহ— যেনে পৌৰাণিক আখ্যানৰ পৰা বিষয়বস্তু আহৰণ আৰু একশৰণ নামভক্তি, ধৰ্মৰ বাণী প্ৰচাৰ সকলো সময়তে অটুট আছে। আজি একবিংশ শতিকাতো ভাওনাৰ এই বৈশিষ্ট্যৰ হেৰ-ফেৰ হোৱা নাই। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আহাৰ্যৰ ক্ষেত্ৰত স্বাভাৱিকতে পৰিৱৰ্তন হৈছে। সাজ-পাৰৰ ক্ষেত্ৰত বিশেষকৈ পুৰুষ চৰিত্ৰৰ সাজ-পাৰৰ ক্ষেত্ৰত যিবোৰ পৰিৱৰ্তন ঘটিছে সেয়া আটায়ে দেখি আছোঁ। সেয়ে ইয়াত বহলাই আলোচনা কৰা নিষ্প্ৰয়োজন। ■

২০০৭ বৰ্ষ